# এজন জঠৰ ৰোগীক যীচুৰ ওচৰলৈ অনা

**ল'ৰা-ছোৱালীক শিকাওক যে যীচুৱে তেওঁলোকক ৰক্ষা কৰিবলৈ ইচ্ছা কৰে।**

ল'ৰা-ছোৱালীয়ে শিকাৰ যিকোনো কাম বাচি লওক।

মাৰ্ক ২ঃ১-১২ পদৰ পৰা জঠৰ ৰোগীজনে যীচুক লগ পোৱা কাহিনীটো কোনো এটা ডাঙৰ ল'ৰা / ছোৱালী বা শিক্ষকক পঢ়িবলৈ দিয়ক। ই ইয়াকে কয় কিদৰে আমি আমাৰ বন্ধুসকলক যীচুক লগ পোৱাত সহায় কৰিব পাৰোঁ, যিজনে তেওঁবিলাকক ৰক্ষা কৰিব পাৰে।

গল্পটো কোৱা পিছত, তলত দিয়া প্ৰশ্নবোৰ সোধক ঃ

- যীচু অহা বুলি শুনি তেওঁবিলাকে কি কৰিলে? *(৩ পদ)*
- যীচুৰ ওচৰলৈ আনিবলৈ ৰোগীৰ বন্ধুসকলে কি কৰিলে? *(৪)*
- মানুহজনৰ বন্ধুবিলাকত যীচুৱে কি লক্ষ্য কৰিলে? *(৫)*
- ৰোগীজনক প্ৰথমে যীচুৱে কি কলে? *(৫)*
- বিধান পণ্ডিত সকলে যীচুৰ কথাত কি বুজিলে? *(৭)*
- যীচুৱে কিদৰে তেওঁৰ ক্ষমতা দেখুৱালে যে তেওঁ লোকবিলাকৰ পাপ ক্ষমা কৰিব পাৰে? *(১০-১২)*

মাৰ্ক ২ঃ১-১২ পদৰ পৰা জঠৰ ৰোগীক যীচুৱে সুস্থ কৰাৰ বিৱৰণৰ নাট কৰক। ল'ৰা-ছোৱালীয়ে নাট প্ৰস্তুত কৰোঁতে আপোনাৰ সময় ব্যৱহাৰ কৰক। বিবৰণৰ গোটেই ভাগ আপুনি ব্যৱহাৰ নকৰিলেও হব।

- ডাঙৰ ল'ৰা ছোৱালী অথবা বয়সীয়া সকলক এই ভাওবোৰ দিয়ক ঃ

  **বৰ্ণনাকাৰী।** কাহিনীটো কওক আৰু কি কব লাগে ভাওৰীয়া সকলে মনত পেলোৱাত সহায় কৰক।

  **যীচু।**

সৰু ল'ৰা-ছোৱালীক এই ভাওবোৰ অংশ দিয়ক ঃ

**জঠৰ ৰোগী**

**চাৰিগৰাকী বন্ধু**

**মানুহবিলাক**

**বিধান পণ্ডিত**

### নাট, ১ম ভাগ, মাৰ্ক ২ঃ১-৪

**বৰ্ণনাকাৰী ঃ** গল্পটোৰ ১ম ভাগ কওক (১-৪ পদ)। কয়, “ৰোগী জনৰ বন্ধুসকলে কি কয় শুনক।”

**বন্ধু ১ ঃ** “যীচু ঘৰত আছে। আহাঁ আমি আমাৰ জঠৰ ৰোগী বন্ধুক যীচুৰ ওচৰলৈ নিওঁ। যীচুৱে তেওঁক সুস্থ কৰিব পাৰে।” (চাৰিগৰাকী বন্ধুৱে ৰোগী জনক কঢ়িয়াই নিয়া দেখুৱায়।)

**বন্ধু ২ ঃ** “ঘৰটোৰ ভিতৰত কিন্তু অনেক মানুহবিলাক আছে!” “আমি কেনেকৈ ঘৰৰ ভিতৰত সোমাম?”

**বন্ধু ৩ ঃ** “আমাৰ বন্ধুক কঢ়িয়াই আমি কিদৰে ঘৰৰ ভিতৰত সোমাম ?”

**বন্ধু ৪ ঃ** “আহাঁ আমি ঘৰৰ চালখনলৈ বগাই যাওঁ আৰু তাতে এটা ফুটা কৰিম। তেতিয়া আমি তেওঁক ৰচিৰে খাটখন বান্ধি তললৈ নমাই দিম।”

**বন্ধুবৰ্গ ঃ** (চাৰিওগৰাকী) চকী অথবা টেবুলত বগাই আৰু ঘৰৰ চালখনৰ পৰা খাপৰিবোৰ গুচোৱা যেন দেখুৱায়।

### নাট, ২য় ভাগ, মাৰ্ক ২ঃ৫-৭

**বৰ্ণনাকাৰী ঃ** গল্পটোৰ ২য় অংশ কওক (৫-৭ পদ)। কয়, “মানুহবোৰে কি কয় শুনক।”

**মানুহবিলাক ঃ** "চোৱাহঁক ! সেই মানুহবোৰে চালখনত ফুটা কৰিছে !"

"মোৰ গাত লেতেৰা পৰিছে !"

"চোৱা, সিঁহতে বিচনা এখনত কাৰোবাক তললৈ নমাইছে !"

"সি মোৰ মূৰৰ ওপৰেদি আহিছে।"

"আঁতৰি দিয়া, তেওঁলৈ অলপ ঠাই কোঠাটোত দিয়াহঁক !"

**জঠৰ ৰোগী ঃ** চাৰিগৰাকী বন্ধুৱে কাম কৰি থকা তলত শুই পৰে।

**যীচু ঃ** ওপৰলৈ চাই আৰু কয়, "বন্ধুসকল, মই তোমালোকৰ বিশ্বাস দেখিলোঁ। (তললৈ চায়, মানুহজনক স্পৰ্শ কৰে।) কয়, "বোপা, তোমাৰ পাপ ক্ষমা কৰা হল।"

**শিক্ষক ঃ** খঙেৰে কয়, "এই মানুহজনে কেনেকৈ পাপ ক্ষমা কৰিব? তেওঁ নিজকে কি বুলি ভাবে?"

**নাট, ৩য় ভাগ, মাৰ্ক ২ঃ৮-১২**

**বৰ্ণনাকাৰী ঃ** গল্পটোৰ ৩য় ভাগ কওক (৮-১২) কয়, "যীচুৱে কি কৈছে, শুনক।"

**যীচু ঃ** জনসমূহক কয়; "মই যে পাপ ক্ষমা কৰিব পাৰো, তোমালোকক দেখুৱাম।" জঠৰ ৰোগীক কয়, "উঠা আৰু খোজ কাঢ়া !"

**জঠৰ ৰোগী ঃ** জাপ মাৰি উঠে। কয়, "ঈশ্বৰৰ প্ৰশংসা হওক, মই খোজ কাঢ়িব পাৰোঁ !" (খোজ কাঢ়ে।) "চোৱা ! মই আৰু জঠৰ ৰোগী হৈ থকা নাই ! আৰু মোৰ পাপবোৰ ক্ষমা কৰা হ'ল !"

**মানুহবিলাক ঃ** "আমি ঈশ্বৰৰ প্ৰশংসা কৰোঁ !" "আমি এনে কাৰ্য্য কেতিয়াওঁ দেখা নাই !"

**বৰ্ণনাকাৰী ঃ** নাটৰ অন্ত হোৱা বুলি জনায়। নাটখনত সহায় কৰা আটাইকে ধন্যবাদ জনায়। বয়সীয়া সকলে শুনাৰ বাবে ধন্যবাদ দিয়ক।

যদি এইয়ে গ্ৰহণযোগ্য, এটি ল'ৰা / ছোৱালীয়ে বয়সীয়া সকলক সুধিব পাৰে ঃ "আমাৰ জীৱনত চয়তানৰ ক্ষমতাৰ পৰা আৰু আন কি কি প্ৰকাৰে যীচুৱে আমাক ৰক্ষা কৰে ? (মানুহবিলাকক উদাহৰণ দিবলৈ কওক।)

ল'ৰা-ছোৱালীৰ কাৰণে মণ্ডলীৰ চলাওঁতাৰ লগত ব্যৱস্থা কৰক...

- উপাসনাৰ সময়ত বয়সীয়াসকলৰ নিমিত্তে নাট পৰিৱেশন কৰিবলৈ।
- এই অধ্যয়নৰ আৰম্ভনৰ ওচৰৰ তালিকাত দিয়া প্ৰশ্নবোৰ বয়সীয়া সকলক সুধিবলৈ।
- পদ্য আদি কৰি প্ৰস্তুত কৰা সকলো পৰিবেশন কৰিবলৈ।

**পদ্য ঃ** গীতমালা ২৫ঃ১, ২ আৰু ৭ পদ কেইটা তিনিটা ল'ৰা-ছোৱালীক আওঁৰাবলৈ দিয়ক।

হে যিহোৱা, মই তোমালৈহে অতিশয় হাবিয়াহ কৰিছোঁ।

হে মোৰ ঈশ্বৰ, মই তোমাতহে ভৰসা কৰিছোঁ,

মোক বঞ্চিত হবলৈ নিদিবা;

মোৰ ডেকা কালৰ পাপ আৰু অপৰাধবোৰ নুসুঁৱৰিবা; হে যিহোৱা, তুমি তোমাৰ দয়া অনুসাৰেই;

তোমাৰ মঙ্গলদায়ক গুনেৰেই মোক সোঁৱৰণ কৰা।



**এখন বিচনাৰ ছবি আঁকা**

- ছবিখন অকাঁত ডাঙৰবোৰে সৰুবোৰক সহায় কৰক। উপাসনাৰ সময়ত তেওঁলোকে বয়সীয়া সকলক দেখুৱাব পাৰে।
- বৰ্ণনা কৰিবলৈ দিয়ক যে খালি মৈদামে ইয়াক বুজায় যে সকলো দুষ্টতা আৰু ৰোগৰ পৰা ঈশ্বৰে আমাক ৰক্ষা কৰে।

**বৰ্ণনা কৰক**। যদিও এই জীৱনত এক নতুন, ভাল জীৱন আমি কষ্ট পাওঁ তথাপি যীচুৱে আমাক দিয়ে যি চিৰদিনৰ কাৰণে হয়।

**মুখস্থ কৰক,** লূক ১৯ঃ১০।

**পদ্য ঃ** গীতমালা ২৫ঃ১,২ আৰু ৭ এই তিনিটা পদ তিনিগৰাকী ল'ৰা-ছোৱালীক একোটাকৈ আওঁৰাবলৈ দিয়ক।

ল'ৰা-ছোৱালীয়ে সুস্থ হোৱা দেখা কোনো উদাহৰণ, অথবা যীচু কেনেকৈ তেওঁলোকৰ অন্তৰলৈ আহিল, তাৰ এটি পদ্য, গীত বা ছুটি গল্প, নাইবা সাক্ষ্য দিবলৈ কওক।

**প্ৰাৰ্থনা ঃ** “প্ৰিয় প্ৰভু, মন্দ কাৰ্য্যৰ দুঃখ কষ্টৰ ওপৰত জয়ী হোৱা বাবে আমি আপোনাৰ ক্ষমতাৰ প্ৰশংসা কৰোঁ। কেতিয়াবা আপুনি আমাক আৰোগ্য দান কৰে আৰু সদায় আমাৰ পাপ ক্ষমা কৰে। আমাৰ অন্তৰৰ পৰা মন্দতা দূৰ কৰা বাবে আপোনাক ধন্যবাদ দিওঁ। আমি জানো যে অৱশেষত যেতিয়া আমি আপোনাৰ লগত থাকিম, তেতিয়া আৰু কোনো দুঃখ কষ্ট আমাৰ নহব।”

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net